# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI

0000000000

**Date :** 06-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে দেশত ন্যায়সংগত আৰু নিৰপেক্ষ সমাজৰ দিশে লৈ যোৱাৰ বাবে ন্যায় ব্যৱস্থা শক্তিশালী কৰি তুলিব লাগিব।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে নতুন ফৌজদাৰী আইন ৩ খন সাম্প্ৰতিক সমাজৰ প্ৰত্যাহ্বানসমূহৰ সন্মুখীন হবলৈ সম্পূৰ্ণৰূপে সমৰ্থ।

৩। সংসদৰ শীতকালীন অধিবেশন ২৫ নৱেম্বৰত আৰম্ভ হ'ব।

৪। বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যুবাৰ্ষিকীৰ লগতে সংগতি ৰাখি ৰাজ্যজুৰি আজি বিভিন্ন দল-সংগঠনৰ উদ্যোগত বাৰেৰহনীয়া কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। *আৰু*

৫। চাৰিদিনীয়া ষট পূজা 'নহায়-খায়' ৰীতিৰে আজি আৰম্ভ হৈছে।

০০০

কেন্দ্ৰীয় চৰকাৰে মেধাৰী শিক্ষাৰ্থীসকলক বিত্তীয় সাহায্য প্ৰদানৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত অনুমোদন জনাইছে। নতুন দিল্লীত আজি কেবিনেট বৈঠকত লোৱা সিদ্ধান্তৰ বিষয়ে সাংবাদিকক অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে,  বিদ্যাৰ্থীসকলে উচ্চ শিক্ষা লাভৰ বাবে অতিৰিক্ত বন্ধকী অবিহনে ঋণ লাভ কৰিব পাৰিব। তেওঁ কয় যে, বিত্তীয় অন্তৰায়ে যাতে দেশৰ যুৱ প্ৰজন্মক গুণগত উচ্চ শিক্ষা আহৰণত বাধা প্ৰদান কৰিব নোৱাৰে তাৰ বাবে এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে।

বাইট

এই আঁচনি অনুসৰি ৭ লাখ ৫০ হাজাৰ টকাৰ ঋণৰ ক্ষেত্ৰত চৰকাৰে ৭৫ শতাংশ ঋণৰ নিশ্চয়তা প্ৰদান কৰিব। ৮ লাখ টকা পৰ্যন্ত ছাত্ৰ-ছাত্ৰীয়ে মৰেটৰিয়াম আৰু অৰ্থাৎ দেনা স্থগিতৰ কালত ১০ লাখ টকালৈকে ঋণৰ সূদৰ ক্ষেত্ৰত ৩ শতাংশ ৰেহাই লাভ কৰিব। এই আঁচনিৰ জৰিয়তে ৭ লাখ শিক্ষাৰ্থী উপকৃত হ'ব বুলি আশা কৰা হৈছে। আঁচনিখনৰ সুবধা  গ্ৰহণৰ বাবে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী পোৰ্টেলৰ জৰিয়তে আবেদন কৰিব পৰা যাব।

০০০

শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কৈছে যে, কেবিনেটে ৩ হাজাৰ ৬০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী ব্যয়েৰে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিত অনুমোদন দিয়াৰ ফলত উচ্চ শিক্ষাৰ লাভৰ ক্ষেত্ৰত থকা বাধাসমূহ দূৰ হ'ব আৰু দেশৰ যুৱক-যুৱতীসকলে নিজৰ সপোন পূৰণ কৰিব পাৰিব। শ্ৰীপ্ৰধানে সামাজিক মাধ্যমযোগে কয় যে, প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিৰ অধীনত অতিৰিক্ত বন্ধকীমুক্ত আৰু নিশ্চয়তা প্ৰদান কৰোতা অবিহনে লাভ কৰা শিক্ষা ঋণ ব্যৱস্থাই মেধাৰী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে উচ্চ শিক্ষা লাভৰ পথ সুগম কৰি তুলিব। তেওঁ কয় যে, এই আঁচনিখনে

কোনো ছাত্ৰ যাতে বিত্তীয় বাধাৰ বাবে শিক্ষা লাভ কৰাৰ পৰা বঞ্চিত হ'বলগীয়া নহয় সেয়া নিশ্চিত কৰিব। দেশৰ প্ৰতিভাৱান যুৱক-যুৱতীসকলৰ বাবে একবিংশ শতিকাৰ উচ্চ শিক্ষা সাৰ্বজনীন কৰি তোলাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিশ্চয়তা বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিৰ জৰিয়তে শিক্ষাৰ্থীসকলে ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানগত ৰেংকিং পৰিকাথামোৰ ভিত্তিত দেশৰ শীৰ্ষৰ ৮৬০ খন উচ্চ শিক্ষা প্ৰতিষ্ঠানত নামভৰ্তিৰ সুযোগ লাভ কৰিব। এই আঁচনিৰ অধীৰনত প্ৰতিবছৰে ২২ লাখ শিক্ষাৰ্থীক সামৰি লোৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে প্ৰধানমন্ত্ৰী বিদ্যালক্ষ্মী আঁচনিক ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ণৰ দিশে লোৱা শক্তিশালী পদক্ষেপ বুলি অভিহিত কৰে। এই আঁচনিয়ে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ লাখ লাখ শিক্ষাৰ্থীক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০

কেন্দ্ৰীয় চৰকাৰেৰ ভাৰতীয় খাদ্য নিগমৰ বাবে দহ হাজাৰ ৭০০ কোটি টকাৰ ইক্যুইটি বিনিয়োগ কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ভাৰতীয় খাদ্য নিগমে খাদ্য ক্ৰয়ৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু কেবিনেটে খাদ্য নিগমক শক্তিশালী কৰি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীগৰাকীয়ে কেবিনেটৰ সিদ্ধান্তক ভাৰতীয় খাদ্য নিগমৰ সঞ্চালন সামৰ্থ্য বৃদ্ধিৰ বাবে লোৱা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে। এই বিনিয়োগৰ ফলত চৰকাৰৰ ওপৰত পৰা সূত আৰু ৰেহাইৰ বোজা হ্ৰাস পাব। ভাৰতীয় খাদ্য নিগমে ন্যূনতম সমৰ্থনমূল্যত খাদ্য সামগ্ৰীৰ ক্ৰয় কৰি, ভাণ্ডাৰ বৰ্তাই ৰাখি আৰু বজাৰত খাদ্য সামগ্ৰীৰ মূল্য সুস্থিৰ কৰি ৰাখি খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

০০০

৫৫ সংখ্যক ভাৰতীয় আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ চলিত মাহৰ ২০ তাৰিখৰ পৰা গোৱাত অনুষ্ঠিত হ'ব। ৯ দিনীয়া এই মহোৎসৱৰ সমান্তৰালকৈ অহা ২৪ নৱেম্বৰলৈ ফিল্ম বজাৰৰ অষ্টাদশ সংস্কৰণ অনুষ্ঠিত হ'ব। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, ২০২৪ বৰ্ষৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ফিল্ম বজাৰ প্ৰদৰ্শন কক্ষত মুঠ ২০৮ খন ছবি প্ৰদৰ্শন কৰা হ'ব।

০০০

ৰিপাব্লিকান দলৰ নেতা ডোনাল্ড ট্ৰাম্পে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্বাচনত বিজয় সুনিশ্চিত কৰিছে। শ্ৰীট্ৰাম্পে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী কমলা হেৰিছৰ বিৰুদ্ধে ব্যাপক অগ্ৰগতি লাভ কৰিছে। জয় নিশ্চিত হোৱাৰ পাছত শ্ৰীট্ৰাম্পে এইদৰে কয় ঃ

**বাইট**

পৰিৱৰ্তিত ঘটনাক্ৰমৰ সংকেত লাভ কৰাৰ পাছত কমলা হেৰিছে হাৱাৰ্ড বিশ্ববিদ্যালয়ৰ নিৰ্ধাৰিত ভাষণ বাতিল কৰিছে।

শ্ৰীট্ৰাম্পে জয়ৰ বাবে আৱশ্যকীয় ২৭০ টা ইলেকট্ৰেল ভোট ইতিমধ্যে অতিক্ৰম কৰিছে। তেওঁ পেন্সিলভেনিয়া আৰু জৰ্জিয়াসহ গুৰুত্ব অঞ্চলসমূহত জয় লাভ কৰিছে। এটা গুৰুত্বপূৰ্ণ ঘটনাক্ৰমত ৰিপাব্লিকান দলে অহিঅ' আৰু পশ্চিম ভাৰ্জিনিয়াত জয় লাভেৰে চীনেটত নিয়ন্ত্ৰণ লাভ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত জয় লাভ কৰাৰ বাবে শ্ৰীট্ৰাম্পক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে তেওঁ ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ সৰ্বাত্মক গোলকীয় আৰু কৌশলগত সহযোগিতা সুদৃঢ় কৰাৰ বাবে আগ্ৰহী। প্ৰধানমন্ত্ৰীয়ে গোলকীয় শান্তি, সুস্থিৰতা আৰু সমৃদ্ধিৰ প্ৰসাৰ তথা দুয়ো দেশৰ জনসাধাৰণৰ কল্যাণৰ বাবে একেলগে কাম কৰিবলৈ শ্ৰীট্ৰাম্পৰ প্ৰতি আহ্বান জনাইছে।

০০০

লোকসভাত বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি কৈছে যে, সংবিধান মাত্ৰ এখন গ্ৰন্থ নহয় ই জীৱন ধাৰণৰ পদ্ধতি আৰু দৰ্শন। শ্ৰীগান্ধীয়ে আজি নাগপুৰত সংবিধান সন্মান শীৰ্ষক সন্মিলনত ভাষণ দি এইদৰে কয়। সংবিধানৰ মূল প্ৰণেতা ড০ বাবাচাহেব আম্বেদকাৰৰ বিষয়ে আলোকপাত কৰি কয় যে ড০ আম্বেদকাৰে বঞ্চিতসকলকে ধৰি সমাজৰ সকলো শ্ৰেণীৰ লোকৰ আকাংক্ষা মনত ৰাখি সংবিধানখনৰ খচৰা প্ৰস্তুত কৰিছিল।

শ্ৰীগান্ধীয়ে আজি মুম্বাইৰ বান্দ্ৰা কুৰলা কমপ্লেক্সত বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ ইস্তাহাৰ মুকলি কৰিব।

০০০

লোক সংগীতৰ জনপ্ৰিয় গায়িকা সাৰদা সিনহাৰ অন্ত্যেষ্টিক্ৰিয়া কাইলৈ বিহাৰৰ পাটনাত সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে আজি এই কথা প্ৰকাশ কৰে।

যোৱা নিশা নতুন দিল্লীৰ অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানত ৭২ বছৰ বয়সত দেহাৱসান ঘটা শিল্পীগৰাকীৰ নশ্বৰ দেহ আজি পাটনালৈ অনা হয়। প্ৰসিদ্ধ শিল্পীগৰাকীৰ পুত্ৰ, লোকসংগীতৰ গায়ক অংশুমান সিন্হাই জানিবলৈ দিয়া মতে গংগা নৈৰ পাৰৰ গুলাবী ঘাটত কাইলৈ তেওঁৰ মাতৃৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। উল্লেখযোগ্য যে ভোজপুৰী আৰু মৈথেলী লোক সংগীতৰ বাবে সাৰদা সিনহাক পদ্মশ্ৰী, পদ্মভূষণ আৰু সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত কৰা হৈছিল। ২০১৮ বৰ্ষত গায়িকাগৰাকীক কলাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে পদ্মভূষণ সন্মানেৰে বিভূষিত কৰা হৈছিল।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে গায়িকাগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ, আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ২০২৫ বৰ্ষৰ সংস্কৰণৰ বাবে অহা ২৪ আৰু ২৫ নৱেম্বৰত চৌদি আৰবত নীলাম প্ৰক্ৰিয়া অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে কালি এই কথা সদৰি কৰে। এইবাৰ একেৰাহে দ্বিতীয়বাৰৰ বাবে আই পি এলৰ নীলাম বিদেশত অনুষ্ঠিত হ'ব। ২০২৪ বছৰৰ আই পি এলৰ নীলাম ডুবাইত অনুষ্ঠিত হৈছিল।

এইবাৰ এহেজাৰ ১৬৫ গৰাকী ভাৰতীয় আৰু ৪০৯ গৰাকী বিদেশী খেলুৱৈ সহ মুঠ এহেজাৰ ৫৭৪ গৰাকী খেলুৱৈয়ে নীলামৰ বাবে সন্মতি প্ৰকাশ কৰিছে। প্ৰতিটো দলত ৰিটেন কৰা খেলুৱৈসহ সৰ্বাধিক ২৫ গৰাকী খেলুৱৈক চুক্তিবদ্ধ কৰিব পৰা যাব। নীলামৰ বাবে মুঠ ২০৪টা শ্লট উপলব্ধ হ'ব।

০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিং ব্যৱস্থাৰে পোনপটীয়াকৈ শুনিব পাৰিব।** আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো এই বাতৰি শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০

সমাপ্ত